# স্বৰবৃত্ত

এই এটা এনে ছন্দৰীতি য'ত ধ্বনি-আশ্ৰিত স্বৰকেই প্ৰাধান্য দিবলগীয়া হয়। সেই বাবেই বহুতে ইয়াক 'স্বৰমাত্ৰিক' নামেৰে অভিহিত কৰিব খোজে। তেওঁলোকৰ মতে যুগ্ম অযুগ্ম নিৰপেক্ষে ইয়াৰ সকলো ধ্বনি এক মাত্ৰাৰ। স্বৰবৃত্ত ছন্দৰ প্ৰধান বৈশিষ্ট্যসমূহ হ'ল—

স্বৰবৃত্তৰ বৈশিষ্ট্য

(১) প্ৰত্যেকটো পৰ্বতে চাৰিটাকৈ স্বৰাশ্ৰিত ধ্বনি থাকে। দ্ৰুত লয়ৰ গতিকে পৰ্বত চাৰিতকৈ অধিক ধ্বনি সন্নিবিষ্ট হ'ব নোৱাৰে।
(২) পৰ্বত দুটাতকৈ বেছি অনুযতি থকাটো অসম্ভৱ।
(৩) প্ৰত্যেকটো পৰ্বতে এটাকৈ প্ৰবল প্ৰস্বন (accent) অনুভূত হয়।
(৪) বিশ্লিষ্ট যুগ্ম ধ্বনিৰ লগত মাত্ৰাসাম্য ৰাখিবৰ বাবে হ্ৰস্ব দীৰ্ঘ কৰি লোৱা হয়।
(৫) মাত্ৰা সাম্যৰ বাবেই চাৰিতকৈ অধিক ধ্বনিও দ্ৰুত উচ্চাৰণেৰে চাৰিমাত্ৰাৰ জোখলৈ টানি অনা হয়।

সাহিত্যৰ বুকুলৈ এই ছন্দ আহিল লৌকিক গীত-মাত, খেল-ধেমালিৰ আওৰোৱা গীত আদিৰ পৰা।

এটি ঘৰত । দুটি মাথোন । দুটি মানুহ । ধৰে।।

—ৰত্নকান্ত বৰকাকতী

শান্তি নেপায় । চিৰ নতুন । পুষ্প চক্ৰৰ । পথে।।
একেই বস্তু । ঘটে।।

—কমলেশ্বৰ চলিহা

ঘন চিৰিকাই । তামোল কাটে । আমাকো এখন । দিয়া।।

—ল'ৰা-ছোৱালীৰ আওৰোৱা গীত

আধুনিক অসমীয়া কাব্যলৈ বঙ্গদেশীয় ছড়ায় ছন্দৰো বৰঙনি যথেষ্ট।

ডাঙৰ দীঘল । ভূণি মাৰা । মূৰত ডাঙৰ । পাগ।।

—বলিনাৰায়ণ বৰা

শিৱ ঠাকুৰেৰ । বিয়ে হোল । তিন কন্যে । দান।।

—বঙালী ছড়া

স্বৰবৃত্ত ছন্দৰ সম্পূৰ্ণ পৰ্ববোৰত চাৰিটাতকৈ বেছি স্বৰাশ্ৰিত ধ্বনি তথা স্বৰবিন্যাস

ধ্বনি সম্প্ৰসাৰণ সম্ভৱ নহয়। কাৰণ এই ছন্দৰীতিৰ লয় অতি ক্ষিপ্ৰ আৰু যতি সংস্থাপন ঘন।

একেজোপা । নেমুটেঙা । পচিমলৈ । ঠাল
বুঢ়া গোসাঁই । বহি আছে । দেখিবলৈ । ভাল

—ধেমালিৰ গীত

বাঁহৰ পাত । চিকি মিকি । আমাক দিবো । সিকি সিকি

—মহ-খেদোৱা গীত

নহয় মণি । মুক্তহাৰ । নহয় একো । ঘোঁৰা হাতী।।

—ডিম্বেশ্বৰ নেওগ

ফাগুন হেৰা । তোমাৰ ছবি । আঁকো।।

—কমলেশ্বৰ চলিহা

চাৰিস্বৰ বিশিষ্ট পৰ্বৰে বিন্যস্ত এনে ছন্দ প্ৰয়োগত মাজে মাজে স্বৰ দীঘলীয়াকৈ টানি মাত্ৰাসাম্য ৰক্ষিত হয়।

আজি উদাৰ । গগন তলে । গায় বিহগ । দলে দলে
নাচে সপোন । কুমাৰী

—ডিম্বেশ্বৰ নেওগ

ইৰিকটি । মিৰিকটি বাঁহৰ শলা।।
মোমাইৰ । পদুলিত । বান্ধিলোঁ । ঘোঁৰা।।

—খেল-ধেমালিৰ গীত

চতুঃস্বৰ পৰ্ব বিন্যাসত দুই স্বৰ যুক্ত ধ্বনিয়েও আশ্ৰয় পায়। আৰু সেই দুই স্বৰকো দীঘলীয়াকৈ টানি অথবা একমাত্ৰ পৰিমাণৰ সময় মৌন থাকি চাৰি স্বৰৰ মৰ্যাদা দিয়া হয়।

আম পাত । জাম পাত।।
ইখন এৰি । সিখন কাটি।।

—ধেমালিৰ গীত

স্বৰৰ যি দৰে সম্প্ৰসাৰণ ঘটে, সেই দৰে এই ছন্দৰীতিত সংকোচন ঘটে।

সংকোচন

প্ৰচলিত গীত-মাতবোৰত পৰ্বৰ স্বৰধ্বনিৰ সংখ্যা চাৰিতকৈ বেছি হোৱাও দেখা যায়। তেনে ক্ষেত্ৰত দ্ৰুত আৰু সংকুচিত উচ্চাৰণেৰে পৰ্বৰ জোখ সমানকৈ ৰখা দেখা যায়।

জনাৰ কোমল। জিম।
বগী বগী। **জোৰালী বিলাক**। তোমালোকক। দিম।।

'জোৰালী বিলাক'—এই পৰ্বটোত স্বৰৰ সংখ্যা পাঁচ যদিও উচ্চাৰণ সংকুচিত কৰি তাক চাৰিটা স্বৰৰ জোখতে ৰখা হৈছে। দুলড়ী ছন্দৰ সজ্জাৰে সজ্জিত যথামাত্ৰিক আমাৰ বিহুগীততো এনে সংকোচন দেখা যায়।

বিহুৰে বিৰিণা । পাতে ঐ মইনা।
**বিহুৰে** বিৰিণা । পাত।।
বিহু থাকে মানে । বিহুকে কিনাবি।
**বিহু গ'লে** কিনাবি । কাক।।

ইয়াতো দ্বিতীয় শাৰীৰ 'বিহুৰে'-ৰ লগত তাৰ প্ৰতিসম পৰ্ব চতুৰ্থ শাৰীৰ 'বিহু গ'লে'-ৰ মাত্ৰামূল্য সমান। স্বৰৰ এই সংকোচন আৰু সম্প্ৰসাৰণৰ মূলত আছে ইয়াৰ গয়া প্ৰকৃতি। গৰখীয়া গীত-মাত আদি আবৃত্তি কৰোঁতে ছেওটো ঠিক ৰাখিবলৈ শব্দবোৰ কোঁচাই মেলি ছন্দৰ গতি সাৱলীল কৰি তোলা হয়।

এইদৰে সম্প্ৰসাৰণ অথবা সংকোচনৰ সহায় লৈ স্বৰ সংখ্যাক চাৰি-ঘৰত ৰখাটো বিশৃংখল পদ্ধতি যেন লাগিব পাৰে। কাৰণ সম্পূৰ্ণ মাত্ৰা বিবৰ্জিত ছন্দ বিচাৰৰ ধাৰণা কৰাটো কিছু টান। যদিও ইংৰাজী ছন্দত মাত্ৰাৰ সমস্যা নাই, তথাপি প্ৰস্বন বা স্বৰাঘাতেই (accent) তাৰ ছন্দ বৈচিত্ৰ্যৰ জন্ম দিয়ে। ইংৰাজীত থকাৰ দৰে আমাৰ ভাষাত শব্দৰ প্ৰস্বন নিৰ্দিষ্ট হৈ নাথাকে। কিন্তু অসমীয়াতো প্ৰস্বনৰ ব্যৱহাৰ আছে। এই ছন্দৰ ধ্বনিগত মাত্ৰাৰ বৈষম্য প্ৰস্বনেই বহুখিনি মীমাংসা কৰি দিয়ে। অলপ লক্ষ্য কৰিলেই দেখা যায় যে ইয়াৰ প্ৰত্যেক পৰ্বতে অন্ততঃ একোটাকৈ প্ৰস্বন থাকে। এই প্ৰস্বনে প্ৰত্যেক পৰ্বতে বাক্‌যন্ত্ৰীত একোটা তীব্ৰ ঝংকাৰ তোলে।

প্ৰস্বন

এটি ঘৰত । দুটি মাথোন ।
দুটি মানুহ । ধৰে ।

—বৰকাকতী

লক্ষ্য কৰি । কোমল মুখৰ । হাঁহি

হৰিকটি । মিৰিকটি । বাঁহৰ । শলা —চলিত

প্ৰস্বনৰ এই ৰৰঙণিৰ বাবেই এই ছন্দৰীতিক বহুতে বলবৃত্ত (বল=accent) নামেৰে অভিহিত কৰিব খোজে। প্ৰস্বন থকা গতিকে যি লয়ৰ সৃষ্টি হয় তাতেই যুগ্ম-অযুগ্ম নিৰ্বিশেষে ধ্বনিয়ে দুই মাত্ৰাৰ মূল্য ল'বলৈ আগবাঢ়ি যায়।

স্বৰবৃত্তৰ এই আপাতবিশৃঙ্খলাৰ সমাধানকল্পে তাৰ মাত্ৰিক ৰূপ এটাৰো আলোচনাৰ প্ৰয়োজন। স্বৰবৃত্তৰ মাত্ৰা সংখ্যা নিৰূপণে ছান্দসিকক অলপ সেমেকাৰিত পেলায়।

মাত্ৰা নিৰ্ণয়

তাত চাৰিটা স্বৰৰ অৱস্থান হেতুকে চাৰিমাত্ৰা পোৱাটোৱেই উচিত। কিন্তু প্ৰস্বনৰ বাবে বহুতে আৰু আধামাত্ৰা যোগ কৰিব খোজে। সেই পদ্ধতি জটিল আৰু অনৈতিহাসিক। দৰাচলতে সুতীব্ৰ প্ৰস্বন আৰু স্বৰৰ দীৰ্ঘীকৰণে প্ৰত্যেক পৰ্বকে দুইমাত্ৰা সম্প্ৰসাৰিত কৰে। অৰ্থাৎ স্বৰৰ সংখ্যাৰে চাৰি হ'লেও ই মাত্ৰাৰ জোখেৰে ছয়মাত্ৰালৈকে ব্যাপ্ত হয়। নহ'লে চাৰিমাত্ৰাৰ পৰ্বমাত্ৰেই স্বৰবৃত্ত হ'লহেঁতেন।

|| ||     || ||<br>
এক দুই । তিনি চাৰি

| | | |     | | ||<br>
ল'ৰা আছে । শাৰী শাৰী

এয়া স্বৰবৃত্তৰ চানেকি নহয়। কাৰণ ইয়াত প্ৰস্বন নাই আৰু সম্প্ৰসাৰণৰো ঠাই নাই।

আকৌ কেবল ছয়মাত্ৰা পালেই নহ'ব; তাক সংকুচিত ৰূপত চাৰিটা স্বৰলৈ ৰূপান্তৰ কৰিব পাৰিব লাগিব।

পিয়ানো বজাই । পূজাৰ আৰতি । বেদীত মমৰ । বাতি।।<br>
জ্বলাই আনিব । দেশৰ মুক্তি । পুবাব দুখৰ । ৰাতি।।

ইয়াত প্ৰত্যেক পৰ্বত ছয়মাত্ৰাকৈ আছে। কিন্তু সংকুচিত ৰূপেৰে চাৰিটা স্বৰলৈ আনিব নোৱাৰি। গতিকেই মাত্ৰাবৃত্তহে, স্বৰবৃত্ত নহয়। অৱশ্যে মাত্ৰিক সাম্য স্বৰবৃত্তৰ বাবে প্ৰয়োজনীয় হ'লেও সি তাৰ চাৰিত্ৰিক বৈশিষ্ট্য নহয়।

এইখিনিতে এটা কথাৰ উল্লেখ প্ৰয়োজন যে আধুনিক অসমীয়া কাব্যত প্ৰকৃত অসমীয়া স্বৰবৃত্তৰ অৰ্থাৎ খেল-ধেমালিৰ গীতৰ লয় এতিয়াও সম্পূৰ্ণভাৱে অনুভূত নহয়। স্বৰবৃত্তত অসমীয়া কবিয়ে বঙালী ছড়াৰ লয়টোহে অৱলম্বন কৰিছে। লিখিত

সাহিত্যত ব্যৱহৃত স্বৰবৃত্ত ছন্দত 'শিৱঠাকুৰ'ৰ বিয়াৰ বাজনাহে শুনি, 'ইৰিকটি মিৰিকটি বাঁহৰ শলা'ৰ গুণ্‌গুণনি নহয়।

ছন্দ কুশল কোনো অসমীয়া কবিয়ে ধঁহি-মাজি ল'বলৈ আমাৰ এই গওঁৱা ছন্দই এটি মন্তব্য এতিয়াও বাট চাই আছে। এতিয়াৰ কবিয়ে যি এটা লৌকিক ছন্দ সজ্জাৰ নতুন নতুন পৰীক্ষা কৰিছে তাৰ চৰিত্ৰত এই চতুঃস্বৰৰ পৰিকল্পনা নাই। সি ষণ্মাত্ৰিক লঘু ত্ৰিপদী অৰ্থাৎ দুলড়ী ছন্দ। আমাৰ বনগীত, বিহুগীতসমূহত ঘাইকৈ এই ৰীতিয়েহে প্ৰচলিত। যদিও প্ৰাকৃত জনোচিত শিথিল ধ্বনি বিন্যাসৰ নিদৰ্শন তাত প্ৰচুৰ।

শঙ্কৰদেৱ ৰজাৰে । পুতেক মণি কোঁৱৰ।
কোলাত খতিখুনে । নাই ।।
এবেলা ঘোঁৰাতে— এবেলা কোলাতে।
এবেলা দোলাতে । যায়।।

প্ৰকৃততে ই স্বৰবৃত্ত। কিন্তু ইয়াৰ মূল পৰ্বসমূহ ছটা স্বৰেৰে গঠিত। প্ৰত্যেক স্বৰে মাত্ৰামূল্য আৰু পৰ্বসমূহো ষণ্মাত্ৰিক।